অসম চৰকাৰ
উপায়ুক্তৰ কাৰ্য্যালয় :: নগাওঁ
দূৰভাষ নং : ০৩৬৭২-২৩৩১৮৫(কা)/২৩৩২০২ (বাংলো)/ ২৩৩১৯৩ (ফে.),ইমেইল : dc-nagaon@nic.in
(ভূমিলেখ্য শাখা)

# জাননী

নং- এন. আৰ. কে. ২৬ / ২০২১ / ৫৭ = ইয়াৰ দ্বাৰা সকলো ৰাইজৰ জ্ঞাতাৰ্থে জনোৱা হয় যে, অসম চৰকাৰৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগে ৰাইজৰ সুবিধাৰ্থে নিম্নলিখিত সেৱা সমূহ এক বিশেষ কাৰ্য্যসূচী "মিছন বসুন্ধৰা" ৰ জৰিয়তে ৰূপায়ন কৰিবলৈ ও সুচল তথা ক্ষিপ্ৰতাৰে সম্পাদন কৰিবলৈ প্ৰয়াস কৰিছে।

- **মিছন বসুন্ধৰা ৰ অন্তৰ্গত সেৱা সমূহঃ**
  - ✓ উত্তৰাধিকাৰী সূত্ৰে নামজাৰি।
  - ✓ পঞ্জীয়নকৃত দলিলৰ দ্বাৰা নামজাৰি।
  - ✓ বিবাদমুক্ত বাটোৱাৰা।
  - ✓ একচনীয়া পট্টাৰ ভূমি ম্যাদি পট্টালৈ পৰিবৰ্তন (দখল অপৰিৱৰ্তিত আবেদনৰ ক্ষেত্ৰত প্ৰযোজ্য)।
  - ✓ ভূমিৰ শ্ৰেণী পৰিৱৰ্তন।
  - ✓ ৰাজহ নথিৰ পৰা স্বত্ববিহীন অথবা দখলবিহীন পট্টাদাৰৰ নাম কৰ্তন।
  - ✓ আবন্টিত ভূমিৰ ম্যাদীকৰণ।
  - ✓ ভূমিৰ নথিৰ সংশোধনী (নাম আৰু মাটিকালিৰ সংশোধনী)।
  - ✓ ভূমি নথিত পট্টাদাৰসকলৰ মোবাইল নম্বৰ অৰ্ন্তভূক্তিকৰণৰ লগতে অদ্যাৱধিকৰণ।
- উপৰোক্ত সেৱা সমূহ অনলাইন পৰটেল (Online Portal) **basundhara.assam.gov.in** ৰ জৰিয়তে আবেদন কৰিব পাৰিব।
- যদি আবেদন কৰোতে কোনো অসুবিধাৰ সন্মুখীন হয়, তেন্তে আবেদনকাৰীয়ে সংশ্লিষ্ট ৰাজহ চক্ৰ বিষয়াৰ কাৰ্য্যলয়ত আবেদন কৰিব পাৰিব।
- আবেদন কৰা নিৰ্ধাৰিত সময় সীমাঃ ২ অক্টোবৰ-২০২১ ৰ পৰা ৩০ নবেম্বৰ-২০২১ লৈ।
- সম্পূৰ্ণভাৱে দাখিল কৰা আবেদনসমূহ বিশেষ কোনো অসুবিধা / বিবাদ নাথাকিলে ২০২২ চনৰ ১০ মে'ৰ ভিতৰত সমাধান কৰা হব।
- উপৰোক্ত সেৱা সমূহৰ বাবে কোনো ধৰণৰ মাচুল ধাৰ্য্য কৰা হোৱা নাই। গ্ৰাম্য অঞ্চলৰ মাটিৰ ক্ষেত্ৰত, একচনা পট্টাৰ পৰা ম্যাদি পট্টা লৈ ৰূপান্তৰ বাবে কোনো ধৰণৰ মাচুল (Premium) আদায় দিব নালাগে কিন্তু পৌৰ এলেকা অন্তৰ্গত মাটিৰ ক্ষেত্ৰত, পূৰ্ব্বৰ নিৰ্দ্ধাৰিত নিৰিখমতে মাচুল (Premium) আদায় দিব লাগিব।
- গ্ৰাম্য অঞ্চলৰ আবন্টিত মাটিৰ ম্যাদিকৰণৰ ক্ষেত্ৰত, কোনো ধৰণৰ মাচুল (Premium) আদায় দিবলগীয়া নহয়।
- উপৰোক্ত সেৱা সমূহৰ বিষয়ে কিবা তথ্য জানিবলগীয়া হলে **বিনামূলীয়া (Toll free) নং 1800-345-2666** যোগাযোগ কৰিব পাৰিব।

স্বা/-
উপায়ুক্ত, নগাওঁ

স্মাৰক নং এন আৰ কে. ২৬ / ২০২১/ ৫৭ (ক) তাৰিখ - ০২-১০-২০২১

ইয়াৰ প্ৰতিলিপি নিম্নোক্ত সকলৰ জ্ঞাতাৰ্থে ও বিহিতাৰ্থে প্ৰেৰণ কৰা হলঃ-

১) ভূমিলেখ্য ও জৰিপ অধিকৰ্ত্তা, অসম, ৰূপনগৰ, গুৱাহাটী-৩২ ।
২) যুটীয়া সচিব, অসম চৰকাৰৰ ৰাজহ ও দুৰ্যোগ ব্যৱস্হাপনা বিভাগ, দিছপুৰ গুৱাহাটী-৬
৩) সকলো অতিৰিক্ত উপায়ুক্ত নগাওঁ ।
৪) নগাঁও জিলাৰ অৰ্ন্তগত সকলো ৰাজহ চক্ৰ বিষয়া, নগাওঁ সদৰ,ৰহা,ধিং,কামপুৰ,ৰূপহী,চামগুৰি,কলিয়াবৰ ৰাজহ চক্ৰৰ নিজ নিজ কাৰ্য্যালয়ৰ জাননী ফলকত আৰিব।
৫) জিলা তথ্য ও প্ৰযুক্তি বিষয়া ( NIC ), নগাঁৱে জিলা প্ৰশাসনৰ Website ৰ জৰিয়তে এই জাননীৰ বহুল প্ৰচাৰৰ বাবে ব্যৱস্হা গ্ৰহণ কৰিবলৈ অনুৰোধ জনোৱা হল।
৬) জিলা তথ্য ও জনসংযোগ বিষয়া ( DIPRO ) নগাওঁ তেখেতক এই জাননীৰ বহুল প্ৰচাৰৰ বাবে ব্যৱস্হা গ্ৰহন কৰিবলৈ অনুৰোধ জনোৱা হল ।
৭) জিলা পৰিচালক, ডি.আই.টি.ই.চি., নগাঁও. তেওঁ এই জাননীৰ বহুল প্ৰচাৰৰ বাবে নগাঁও জিলা প্ৰশাসনৰ Facebook & Twitter দিবলৈ আদেশ দিয়া হল।
৮) উপায়ুক্ত কাৰ্য্যালয়ৰ জাননী ফলক।

উপায়ুক্ত, নগাওঁ